**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-10-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ভাৰত মুঠ বনাঞ্চলৰ দিশৰ পৰা বিশ্বৰ নৱম স্থানলৈ উন্নীত হৈছে।

২। দেশৰ নবীকৰণযোগ্য শক্তি সামৰ্থ ২০১৪ চনৰ ৩৫ গিগাৱাটৰ পৰা ১৯৭ গিগাৱাটলৈ বৃদ্ধি পাইছে।

৩। নৌ সেনা বাহিনীৰ কমাণ্ডাৰসকলৰ দ্বিবাৰ্ষিক সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হৈছে।

৪। গৃহ মন্ত্ৰালয়ৰ এখন উচ্চ পৰ্যায়ৰ সমিতিয়ে আজি নতুন দিল্লীত লাডাখৰ নেতাসকলৰ সৈতে আলোচনাত মিলিত হৈছে।

আৰু

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি অষ্ট্ৰেলিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত মুঠ বনাঞ্চলৰ দিশৰ পৰা বিশ্বৰ নৱম স্থানলৈ উন্নীত হৈছে। ইণ্ডোনেছিয়াৰ বালিত খাদ্য আৰু কৃষি সংস্থাই জাৰি কৰা বিশ্ব বন সম্পদ মূল্যায়ণ-২০২৫ শীৰ্ষক প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। পৰিবেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে কৈছে যে ভাৰতে যোৱাবাৰৰ মূল্যায়ণত দশম স্থান লাভ কৰিছিল আৰু এইবেলি নৱম স্থান লাভ কৰি গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিছে। শ্ৰী যাদৱে কয় যে এই কৃতিত্বই বন সুৰক্ষা, বনানিকৰণ আৰু সমূহীয়া প্ৰচেষ্টাৰে পৰিবেশ সংৰক্ষণৰ লক্ষ্যৰে চৰকাৰে গ্ৰহণ কৰা নীতি আৰু কাৰ্যসূচীসমূহৰ সাফলতাকে প্ৰতিফলিত কৰে। ভাৰতে বনভূমিৰ বাৰ্ষিক বৃদ্ধিৰ দিশৰ পৰা বিশ্বৰ ভিতৰত তৃতীয় স্থানত আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ইয়াৰ পৰা পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ প্ৰতি দেশৰ নিৰন্তৰ প্ৰতিশ্ৰুতিবদ্ধতা ৰ কথা প্ৰতিফলিত হৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এজোপা গছ মাৰ নামত উদ্যমে সমগ্ৰ দেশৰ নাগৰিকসকলক গছপুলি ৰোপন কৰিবলৈ আৰু সেউজ তথা নিকা ভৱিষ্যতৰ প্ৰতি অৱদান আগবঢ়াবলৈ উৎসাহিত কৰি আহিছে।

০০০০০০

দেশৰ নবীকৰণযোগ্য শক্তি সামৰ্থ ২০১৪ চনৰ ৩৫ গিগাৱাটৰ পৰা ১৯৭ গিগাৱাটলৈ বৃদ্ধি পাইছে। নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে চৰকাৰে ২০৩০ চনৰ ভিতৰত অনা জীৱাস্ম শক্তি সামৰ্থ ৫০০ গিগাৱাটলৈ বৃদ্ধি কৰাৰ ইভিলাসী লক্ষ্য নিৰ্ধাৰণ কৰিছে। দেশৰ নবীকৰণযোগ্য শক্তি খণ্ডৰ বিকাশ গাথা বিশ্বৰ ভিতৰত অন্যতম আৰু ভৱিষ্যমুখী বুলি অভিহিত কৰিছে। চলিত বৰ্ষত কেন্দ্ৰীয় নবীকৰণযোগ্য শক্তি ৰূপায়ণ সংস্থাসমূহে ৫ দশমিক ৬ গিগাৱাটৰ বাবে আৰু ৰাজ্যিক সংস্থাসমূহে ৩ দশমিক ৫ মেগাৱাটৰ বাবে নিবিদা আহ্বান

কৰিছে। ইয়াৰ উপৰি বাণিজ্যিক আৰু ঔদ্যোগিক উপভোক্তাসকলে এইবছৰত ৬ গিগাৱাট নবীকৰণযোগ্য শক্তি সামৰ্থ গঢ়ি তোলাৰ সম্ভাৱনা আছে।

০০০০০০

নৌ সেনা বাহিনীৰ কমাণ্ডাৰসকলৰ দ্বিবাৰ্ষিক সন্মিলন আজি নতুন দিল্লীত আৰম্ভ হৈছে। অপাৰেচন সিন্দূৰ আৰু নৌ সেনাবাহিনীৰ অভিযান তথা যুদ্ধ প্ৰতিৰোধ প্ৰস্তুতিৰ বাবে এই সন্মিলন অধিক গুৰুত্বপূৰ্ণ হৈ উঠিছে। এই সন্মিলনে দেশৰ নেতৃবৰ্গ আৰু আমোলাসকলৰ মাজত মত বিনিময়ৰ মঞ্চ হিচাপে কাম কৰে আৰু সাম্প্ৰতিক ভূ-ৰণনীতি প্ৰেক্ষাপটত বহুমুখী প্ৰত্যাহ্বান দূৰ কৰাৰ প্ৰতি নৌসেনাবাহিনীৰ দৃষ্টিভংগী সুদৃঢ় কৰি তোলে। এই সন্মিলনত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাষণ দিব আৰু বৃহত্তৰ ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰ গুৰুত্বৰ বিষয়ে বিশ্লেষণ আগবঢ়াব। চীফ অৱ ডিফেন্স ষ্টাফ আৰু বায়ু সেনা বাহিনীৰ মুৰববীয়েও সন্মিলনত ভাষণ দিব।

০০০০০০

গৃহ মন্ত্ৰ্যালয়ৰ এখন উচ্চ পৰ্যায়ৰ সমিতিয়ে আজি নতুন দিল্লীত লাডাখৰ নেতাসকলৰ সৈতে আলোচনাত মিলিত হৈছে। কেন্দ্ৰীয় শাসিত অঞ্চলটোত বিগত মাহত হোৱা হিংসাত্মক ঘটনাৰ পাছত প্ৰথমবাৰৰ বাবে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আনুষ্ঠানিক বৈঠক অনুষ্ঠিত হৈছে। লাডাখ সন্দৰ্ভত গৃহ মন্ত্ৰ্যালয়ৰ উচ্চ পৰ্যায়ৰ সমিতিৰ জৰিয়তে এপেক্স বডি লেহ চমুকৈ এ বি এল আৰু কাৰ্গিল ডেমক্ৰেটিক এলায়েন্স চমুকৈ কে ডি এৰ সৈতে আলোচনাৰ ব্যৱস্থা কৰা হৈছে। আকাশবাণী লেহৰ সংবাদদাতাই প্ৰকাশ কৰা মতে এই প্ৰতিনিধিসকলে লাডাখক ৰাজ্য হিচাপে স্বীকৃতি আৰু ষষ্ঠ অনুসূচিত লাডাখক অন্তৰ্ভুক্তিকে ধৰি কেইবাটাও মুখ্য দাবী উত্থাপন কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বৰ বৈঠকত উত্থাপন কৰা চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণ আৰু স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰৰ বিষয়টো কেন্দ্ৰই সমাধান কৰিছে বুলি লেহৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনত এইবেলি কেইবাগৰাকীও প্ৰাক্তন সাংসদে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ইয়াৰে ভিতৰত কেইবাগৰাকীও প্ৰাৰ্থীয়ে ২০২৪ চনত লোসসভা নিৰ্বাচন পৰাজিত হৈছে। আমাৰ সংবাদদাতাই জনাইছে যে জে ডি য়ুই ৰাজ্যখনৰ বিভিন্ন সমষ্টিৰ পৰা সৰ্বাধিক প্ৰাক্তন সাংসদক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

বিজেপিয়ে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা পাতলিপুত্ৰৰ প্ৰাক্তন সাংসদ ৰামক্ৰৃপাল যাদৱক পাটনা জিলাৰ ডানাপুৰ সমষ্টিৰ পৰা থিয় কৰোৱাইছে। সীতামঢ়াহি প্ৰাক্তন সাংসদ সুনিল কুমাৰ পিণ্টুই বিজেপিৰ টিকটত সীতামঢ়হি সমষ্টিৰ পৰা বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বীতা আগবঢ়াইছে। প্ৰাক্তন সাংসদ চন্দ্ৰেশ্বৰ প্ৰসাদ চন্দ্ৰবংশীয়ে জে ডি ইউৰ প্ৰাৰ্থী হিচাপে জেহানাবাদ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বীতাত অৱতীৰ্ণ হৈছে। একেদৰে ভাগলপুৰৰ প্ৰাক্তত সাংসদ শৈলেশ কুমাৰে গোপাল পুৰৰ পৰা ডে দি ইউৰ টিকটত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। আৰ জে ডিয়ে প্ৰাক্তন্ন সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী জয় প্ৰকাশ নাৰায়ণ যাদৱক ঝাঝা সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব দিছে। একেদৰে এ আই এম আই এমে প্ৰাক্তন সাংসদ মনাজীৰ হাছানক মুংগে সমষ্টিৰ পৰা টিকট দিছে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানে বিহাৰত ৰাজনৈতিক দলসমূহৰ মাজত আসন ভাগ-বটোৱাৰাৰ জৰিয়তে মহা যুঁট বন্ধন সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। তেওঁ কয় যে মহা মিত্ৰযোঁটে যদি ৫টা দলক একেলগ কৰি ৰাখিব নোৱাৰে তেনেহ'লে তেওঁলোকে বিহাৰক একত্ৰিত কৰি ৰখাত বিফল হ'ব আৰু এইকথা বিহাৰৰ জনসাধাৰণে বুজি পাইছে। শ্ৰী পাছোৱানে অহা ১৪ নৱেম্বৰত ৰাজ্যখনত এন ডি এই চৰকাৰ গঠন কৰিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে এখন জনসভাত ভাষণ দি কয় যে এন ডি এই সময়মতে ঘোষণা কৰা আসন ভাগ-বটোৱাৰাই ইতিবাচক বাৰ্তা বহন কৰিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৬ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কী বাতৰ ১২৭ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি এই খণ্ডটিৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ আৰু মাই গভ মুকলি মঞ্চৰ যোগেদিও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। ২৪ অক্টোবৰ পৰ্যন্ত আগবঢ়োৱা দিহা-পৰামৰ্শসমূহ গ্ৰহণ কৰা হ'ব।

ooooooo

ৰাছিয়াই ইউক্ৰেইনৰ শক্তি প্ৰকল্পসমূহত কালি আক্ৰমণ কৰে। ইউক্ৰেইনৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে আবাসিক এলেকা আৰু আন্তঃগাঁথনিক লক্ষ্য কৰি ৰাছিয়াই চলোৱা ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণ আক্ৰমণত দুজন লোকৰ মৃত্যু হৈছে। মস্কোৱে শেহতীয়াকৈ এটা প্ৰস্তাৱিত যুদ্ধবিৰতি অস্বীকাৰ কৰাৰ পাছত এই আক্ৰমণৰ ফলত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড্ৰনাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত হ'বলগীয়া বৈঠকখন পিছুৱাই দিয়া হৈছে। ইউক্ৰেইনৰ শক্তি মন্ত্ৰীয়ে এয়া এক বৃহৎ আক্ৰমণ বুলি উল্লেখ কৰিছে যদিও ৰাছিয়াই শেহতীয়া আক্ৰমণ সন্দৰ্ভত কোনো মন্তব্য প্ৰকাশ কৰা নাই। ইপিনে ইউক্ৰেইনৰ সেনাবাহিনীয়ে কালি ৰাছিয়াৰ এটা ৰাসায়নিক প্ৰকল্পত আক্ৰমণ চলাই বুলি প্ৰকাশ কৰিছে।

oooooo

ইজৰাইলে দুবছৰ পূৰ্বে গাজাত হামাছে পণবন্দী কৰা দুগৰাকী অচিনাক্ত ইজৰাইলী পণবন্দীৰ মৃতদেহ লাভ কৰিছে। দেশখনৰ প্ৰধানমন্ত্ৰী কাৰ্যালয়ে প্ৰকাশ কৰা মতে হামাছে কালি গাজাত ৰেডক্ৰছক পণবন্দী দুগৰাকীৰ কফিন ছমজাই দিয়ে। ৰ্ডক্ৰছে কফিন দুটা ইজৰাইলী সামৰিক বাহিনীৰ হাতত অৰ্পন কৰে। মৃতদেহ দুটা তেল আভিভত থকা ৰাষ্ট্ৰীয় ফৰেনছিক চিকিৎসা কেন্দ্ৰলৈ নিয়া হ'ব। ইঝৰাইলৰ বিষয়াসকলে দেশখনৰ পণবন্দীসকলক ঘূৰাই অনাৰ প্ৰচেষ্টা চলি থাকিব আৰু অন্তিমগৰাকী পণবন্দী ঘুৰি নহালৈকে তেওঁলোক ক্ষান্ত নাথাকে বুলি প্ৰকাশ কৰিছে। ইজৰাইলে গাজাত ২৮ গৰাকী পণবন্দীৰ মৃতদেহ ৰাখি থোৱা বুলি অনুমান কৰিছে। হামাছে বৰ্তমানলৈকে ১৫টা মৃতদেহ ঘূৰাই দিছে।

oooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি হলকাৰ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত অষ্ট্ৰেলিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

কলম্বোত যোৱা নিশা অনুষ্ঠিত ৰাউণ্ড ৰবীন লীগ পৰ্যায়ৰ এখন বৰ্ষাবিঘ্নিত খেলত দক্ষিণ আফ্ৰিকাই পাকিস্তানক ১৫০ ৰানত পৰাস্ত কৰে। ডাক ৱৰ্থ লুইছ্ পদ্ধতিৰে দলটোৱে মেৰিজেন কেপৰ অলৰাউণ্ড প্ৰদৰ্শন আৰু লৌৰা ৱলভাৰডট্ছ্ৰ ৯০ ৰানৰ সহায়ত পাকিস্তানক পৰাস্ত কৰে। বৰষুণৰ বাবে আৰম্ভ হওঁতে বিলম্ব হোৱাৰ পাছত খেলখন ৪০ অভাৰত সীমিত কৰা হয়। দক্ষিণ আফ্ৰিকাই ৯টা উইকেটৰ বিনিময়ত ৩১২ ৰান সংগ্ৰহ কৰে। এই জয়ৰ ফলত দক্ষিণ আফ্ৰিকা পইণ্ট তালিকাৰ শীৰ্ষত অধিষ্ঠিত হোৱাৰ লগতে প্ৰতিযোগিতাৰ পৰা পাকিস্তানৰ বিদায় নিশ্চিত কৰে। ৬ খন খেলৰ পৰা দক্ষিণ আফ্ৰিকাই এতিয়ালৈকে ১০ পইণ্ট অৰ্জন কৰিছে।

0000000

অলিম্পিকত দুবাৰকৈ পদক বিজেতা জেভলিন খেলুৱৈ নীৰজ চোপ্ৰাক সেনাবাহিনীত সন্মানীয় লেফটেনেণ্ট কৰ্ণেলৰ মৰ্যাদা প্ৰদান কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু স্থলসেনা বাহিনীৰ মুৰববী জেনেৰেল উপেন্দ্ৰ দ্বীবেদীৰ উপস্থিতিত খেলুৱৈগৰাকীক এই সন্মান প্ৰদান কৰা হয়।

0000000